# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। কালি চাৰিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

বিহালী সমষ্টিত ভাৰতীয় জনতা পাৰ্টি প্ৰক্ষেপিত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰে বিশ্বনাথ জিলা আয়ুক্ত কাৰ্যালয়ত কালি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্ত্ৰী পীযুষ হাজৰিকা, ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ লগতে সাংসদ ৰঞ্জিত দত্ত আৰু বহুকেইজন বিধায়ক উপস্থিত থাকে।

ইফালে, বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে সন্মিলিত মৰ্চাৰ প্ৰাৰ্থী প্ৰদানক লৈ হোৱা মতানৈক্যৰ বাবে কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই অসম সন্মিলিত মৰ্চাৰ সভাপতি পদৰ পৰা পদত্যাগ কৰিছে। কংগ্ৰেছে মাজনিশা বিহালী সমষ্টিৰ বাবে জয়ন্ত বৰাক প্ৰাৰ্থিত্ব প্ৰদান কৰে।

ইফালে, ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে আজি আৰু চামগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। কংগ্ৰেছে চিদলী বিধানসভা সমষ্টিৰ কাৰণে প্ৰক্ষেপ কৰা প্ৰাৰ্থী সঞ্জীৱ ওৱাৰিয়ে কালি মনোনয়ন পত্ৰ দাখিল কৰে।

oooooo

সমাগত উপ-নিৰ্বাচনৰ বাবে আন সমষ্টিকেইটাৰ দৰে ৩১ নম্বৰ চিডলী বিধানসভা সমষ্টিতো তৎপৰতা বৃদ্ধি পাইছে। সমষ্টিটোত আজি এন ডি এ সমৰ্থিত ইউ পি পি এল দলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মই মনোনয়ন দাখিল কৰিব। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী সঞ্জীৱ ওৱাৰীয়ে কালি মনোনয়ন পত্ৰ দাখিল কৰিছিল। এই সন্দৰ্ভত অধিক জানিবলৈ সংযুক্ত হৈছো আমাৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জ মোহন ৰায়ৰ সৈতে-

**ভইচ কাষ্ট (কুঞ্জ মোহন ৰায়)**

ooooooo

ব্ৰহ্মপুত্ৰৰ জলস্তৰ অভাৱনীয়ভাৱে হ্ৰাস পোৱাৰ লগতে নতুনকৈ বালিচৰ পৰাৰ বাবে নিয়মীয়া ফেৰী সেৱা বন্ধ হৈ পৰাত কমলাবাৰী নিমাতীঘাট সংযোগী জলপথৰ শেহতীয়া অৱস্থাৰ বুজ ল'বলৈ পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই কালি নিমাতীঘাট আৰু কমলাবাৰী পাৰঘাট পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মন্ত্ৰী শ্ৰী মহন্তই কমলাবাৰী ঘাটৰ পৰা ফেৰী চলাচল পুনৰ আৰম্ভ কৰিবলৈ জল পৰিবহণ বিভাগে নদীৰ মাজৰ বালিচৰত খনন কাৰ্য আৰম্ভ কৰিব বুলি ব্যক্ত কৰে। মন্ত্ৰীগৰাকীয়ে বিধায়ক ভুবন গাম আৰু জিলা আয়ুক্তৰ উপস্থিতিত নদীখনৰ বাম হৈ পৰা বালিচৰসমূহৰ গতি-প্ৰকৃতিৰ বুজ লয়। ইয়াৰ লগতে খৰালি ব্ৰহ্মপুত্ৰৰ মাজৰ মূল সুঁতিৰ এটা সৰু অংশত বালি পৰি গঠন হোৱা বালিচৰতো জল পৰিবহণ বিভাগে খনন আৰম্ভ কৰিছে বুলি তেওঁ জানিবলৈ

দিয়ে। মাজুলীৰ সমাগত ৰাস আৰু পালনামৰ পৰিপ্ৰেক্ষিতত তাৎক্ষণিকভাৱে ফেৰী চলাচল আৰম্ভ কৰিবলৈ চেষ্টা কৰা হৈছে বুলি শ্ৰী মহন্তই সাংবাদিকৰ আগত জানিবলৈ দিয়ে। তদুপৰি পাৰঘাটসমূহত বিকল হৈ থকা জাহাজসমূহৰো বিভাগে তথ্য সংগ্ৰহ কৰি বিকল্পৰ ব্যৱস্থা কৰিব বুলি তেওঁ অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে-

**ভইচ কাষ্ট-কেশৱ মহন্ত**

০০০০০০

কেন্দ্ৰীয় বস্ত্ৰ শিল্প আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাটৰ লাহদৈগড়ত কেন্দ্ৰীয় মুগা, এড়ী, গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই প্ৰতিষ্ঠানটোৱে ৰেচম উদ্যোগ বিশেষকৈ মুগা আৰু এড়ি, ৰেচম সূতা উৎপাদনৰ ক্ষেত্ৰত বিগত ২৫ বছৰে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই আহিছে। আজিৰ উদ্বোধনী অধিবেশনৰ পাছতেই প্ৰদৰ্শনী মুকলি, কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ ইতিহাস দেৱাল আদি উন্মোচন, তথ্যচিত্ৰ আৰু স্মাৰক উন্মোচন, গ্ৰন্থ উন্মোচন কাৰ্যসূচী আদি লোৱা হব।

০০০০০০

আজি **সমৰ্থ** আঁচনিৰ অধীনত দক্ষতা বিকাশৰ প্ৰশিক্ষণ আৰু কেন্দ্ৰীয় চৰকাৰৰ হস্ততাঁত মন্ত্ৰালয়ৰ অধীনত আৰণ্যবিদ্যা আঁচনিৰ বাবে গুৰু-শিষ্য হস্তশিল্প প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। কাজিৰঙাৰ কঁহৰা সন্মিলন কক্ষত কাষৰীয়া অঞ্চলৰ বাসিন্দাৰ বাবে অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীৰ মুকলি অনুষ্ঠানত বস্ত্ৰশিল্প আৰু বিদেশ পৰিক্ৰমা বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা মুখ্য অতিথি ৰূপে উপস্থিত থকাৰ লগতে অতুল বৰা, কেশৱ মহন্তকে ধৰি কেইবাগৰাকীও মন্ত্ৰী তথা সাংসদ উপস্থিত থাকিব।

উল্লেখ্য যে থলুৱা কাৰুশিল্প উন্নয়নৰ বাবে হস্ততাঁত আৰু পৰ্যটন গাঁৱৰ প্ৰতিষ্ঠা, স্থানীয় লোকৰ দ্বাৰা ৰেস্তোঁৰা আৰু ইকো ট্যুৰিজমৰ সুবিধা, জীপচালক আৰু মাউতক প্ৰশিক্ষণ প্ৰদান আদিকে ধৰি বিভিন্ন পৰিকল্পনা তথা লক্ষ্য এই কাৰ্যসূচীৰ জৰিয়তে নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা ২০২৪ৰ বাবে ৰাজ্যজুৰি প্ৰস্তুতি অব্যাহত আছে। জিলাসমূহৰ আয়ুক্ত, আৰক্ষীৰ শীৰ্ষ বিষয়া আদিয়ে কেইবালানি বৈঠক অনুষ্ঠিত কৰি পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে সাজু হৈ উঠিছে।

সমাগত নিযুক্তি পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত কালি শিৱসাগৰ জিলা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। শিৱসাগৰ জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকখনত পৰীক্ষা সমিতিৰ বিষয়ববীয়া, ৭২টা পৰীক্ষা কেন্দ্ৰৰ দায়িত্বৱাহী বিষয়া তথা জিলাখনৰ শীৰ্ষ আৰক্ষী বিষয়া উপস্থিত থাকে। বৈঠকখনত ২৭ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া নিযুক্তি পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত বিস্তাৰিতৰূপত আলোচনা কৰা হয়। ৰাজ্য চৰকাৰে সালসলনি কৰা পৰীক্ষাৰ নিয়মসমূহৰ সন্দৰ্ভত সংশ্লিষ্ট সকলোকে অৱগত কৰাৰ লগতে পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়তো বৈঠকত আলোচনা কৰা হয়।

ইফালে, চৰাইদেউ জিলাতো প্ৰশাসনে যাৱতীয় প্ৰস্তুতিমূলক পদক্ষেপ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনাৰ লগত জড়িত বিষয়াসকল আৰু পৰ্যবেক্ষণ বিষয়াসকলৰ এটা বিস্তৃত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আয়ুক্তগৰাকীয়ে পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত

জিলাখনত দেওবৰীয়া বজাৰসমূহ বন্ধ ঘোষণা কৰে। সংকীৰ্ণ বাট-পথত যান-জঁট তথা জনসমাগম নিয়ন্ত্ৰণ কৰিবলৈ যান বাহন আৰক্ষীক আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে।

একেদৰে বাক্সা জিলাতো প্ৰশাসনে প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা পৰিচালনাৰ বাবে কিছুমান নিষেধাজ্ঞামূলক নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশ অনুযায়ী পৰীক্ষাকেন্দ্ৰৰ পৰা ১০০ মিটাৰ পৰিধিত কেৱল পৰীক্ষাৰ্থী আৰু অনুমোদিত পৰিচালনা কৰ্মীহে উপস্থিত থাকিব বুলি কোৱা হৈছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৭ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটিৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। ২৫ অক্টোবৰ পৰ্য্যন্ত লাভ কৰা দিহা-পৰামৰ্শসমূহ বিবেচনাযোগ্য হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooo

পূব মধ্য বংগোপসাগৰত সৃষ্টি হোৱা ডানা নামৰ ঘূৰ্ণীবতাহ জাকে আজি নিশা বা কাইলৈ নিচেই পুৱা ভিটৰকণিকা আৰু ধাম্ৰাৰ মাজত ওড়িশাৰ উপকূলভাগত খুন্দা মৰাৰ সম্ভাৱনা আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে বতাহজাকে খুন্দা মৰাৰ সময়ত প্ৰতি ঘণ্টাত ১০০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰ বতাহ বলিব পাৰে বুলি সতৰ্ক কৰি দিছে। বতাহ জাক সম্প্ৰতি ওড়িশাৰ পাৰাদ্বীপৰ পৰা ৪২০ কিলোমিটাৰ আৰু ধাম্ৰাৰ উপকূলভাগৰ পৰা ৪৫০ কিলোমিটাৰ নিলগত আৰু পশ্চিম বংগৰ সাগৰ দ্বীপৰ উপকূল ভাগৰ পৰা ৫০০ কিলোমিটাৰ নিলগত কেন্দ্ৰীভূত হৈ আছে। বতাহজাকৰ ফলত ওড়িশাৰ কেন্দ্ৰপাৰা, বালেশ্বৰ আৰু ভদ্ৰক জিলাৰ সৰ্বাধিক ক্ষতি হ'ব পাৰে বুলি আশংকা কৰা হৈছে। বতাহ জাকৰ প্ৰভাৱত এই জিলাকেইখনত প্ৰৱলতৰ বৰষুণ হ'ব পাৰে। ৰাজ্যখনৰ অন্য ১১খন জিলাতো ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ধুমুহা জাকৰ সম্ভাৱনালৈ চাই ভূৱনেশ্বৰত বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সেৱা আজি বিয়লি ৫ বজাৰ পৰা কাইলৈ পুৱা ৯ বজালৈ বাতিল কৰা হৈছে।

oooooo

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই কালি সীমান্ত সুৰক্ষা বাহিনী, ৰাজ্যিক সীমান্ত আৰক্ষী, মাদক দ্ৰব্য নিয়ন্ত্ৰণ সঞ্চালকালয়ৰ প্ৰতিনিধি আৰু সংশ্লিষ্ট বিভিন্ন পক্ষৰ সৈতে সপ্তম ৰাজ্যিক পৰ্যায়ৰ স্থায়ী সমিতিৰ বৈঠকত মিলিত হয়। এই বৈঠকত আন্তঃসীমান্ত অপৰাধ নিয়ন্ত্ৰণৰ লগতে পশুধন সৰবৰাহ আৰু মাদক দ্ৰব্য সৰবৰাহ ৰোধ কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাৰ পৰ্যালোচনা কৰা হয়। বৈঠকত কাছাৰ, কৰিমগঞ্জ, ধুবুৰী, আৰু দক্ষিণ

শালমাৰা জিলাত ১২ খন অতিৰিক্ত সীমান্ত আৰক্ষী থানা স্থাপনৰ বিষয়ে আলোচনা কৰি পৰামৰ্শ দিয়া হয়। তদুপৰি সীমান্ত আৰক্ষী চকী আৰু তহলদাৰী চকীসমূহত পৰ্যাপ্ত জোৱান নিয়োগৰ বাবে বৈঠকত নিৰ্দেশ দিয়া হয়। এই বৈঠকত সীমান্ত সুৰক্ষা বাহিনীয়ে নৈপৰীয়া পথসমূহৰ বাহিৰে সমগ্ৰ সীমান্ত এলেকাত বেৰ দিয়া হৈছে বুলি জানিবলৈ দিয়ে। এই ব্যৱস্থাত আধুনিক আহিলাৰ দ্বাৰা বৈদ্যুতিন মাধ্যমেৰে পহৰাৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ প্ৰকাশ কৰে। সকলো সুৰক্ষা সংস্থাৰ সমন্বয়ৰ দ্বাৰা অবৈধ অনুপ্ৰৱেশকাৰীক প্ৰৱেশ কৰাত বাধা দিয়া হৈছে বুলিও তেওঁলোকে জানিবলৈ দিয়ে। বৈঠকত ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত শক্তিশালী পহৰা ব্যৱস্থাৰ পোষকতা কৰা হয়।

০০০০০০

অসম চৰকাৰৰ সৌজন্যত তথা বাৰেকুৰিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত কালিৰে পৰা দুদিনীয়াকৈ বিশ্ব হলৌ দিৱসৰ আয়োজন কৰা হৈছে। এই দিৱস উপলক্ষে আজিও তিনিচুকীয়া জিলাৰ বাৰেকুৰিত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। দিৱসৰ সৈতে সংগতি ৰাখি কালি বিভিন্ন নৃত্য-গীত, কুইজ, চিত্ৰাংকন, শ্ল'গান লিখন আদি প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে পৰিৱেশ, হলৌ বান্দৰ সংৰক্ষণ আৰু বাৰেকুৰিত গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনা শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। উল্লেখযোগ্য যে পৰ্যটনৰ ক্ষেত্ৰ হিচাপে বাৰেকুৰি হলৌ বান্দৰৰ বাবে প্ৰখ্যাত হৈ পৰিছে।

০০০০০০

তিতাবৰত কালি ড০ দিলীপ কুমাৰ কলিতা স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড০ কলিতাৰ চতুৰ্থ বাৰ্ষিক স্মাৰক বক্তৃতা দিয়ে বিশিষ্ট লেখিকা ড০ অদিতি বেজবৰুৱাই। মহাবিদ্যালয়খনৰ আলোচনা কক্ষত অনুষ্ঠিত জ্যোতিৰ্বিজ্ঞান ঃ ইতিহাস আৰু প্ৰভাৱ বিষয়ক বক্তৃতা দি সদৌ অসম বিজ্ঞান লেখক সংস্থাৰ প্ৰাক্তন সভানেত্ৰী ড০ বেজবৰুৱাই কয় যে মানুহৰ অনুসন্ধিৎসাৰ বাবেই পৃথিৱীখন সকলো ক্ষেত্ৰত আগবাঢ়ি গৈছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ লিতুল বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত **কুৰিজন মহান জ্যোতিৰ্বিজ্ঞানীৰ জীৱন আৰু অৱদান** নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ১-০ৰ ব্যৱধানত পিছ পৰি থকা ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে শৃংখলাত প্ৰত্যাৱৰ্তন কৰাৰ লক্ষ্যৰে খেলখনত অৱতীৰ্ণ হ'ব। ভাৰতে বাংগালুৰুত অনুষ্ঠিত প্ৰথমখন খেলত পৰাজিত হৈছিল।

শৃংখলাৰ বাকী দুখন খেলৰ বাবে অলৰাউণ্ডাৰ ৱাশ্বিংটন সুন্দৰক দলত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বিপৰীতে নিউজিলেণ্ডৰ প্ৰাক্তন অধিনায়ক কেন উইলিয়ামছনে আঘাতৰ বাবে এইখন খেলতো অংশগ্ৰহণ কৰিব নোৱাৰিব।

০০০০০০

আকাশবাণীৰ বাতৰি বিভাগৰ প্ৰাক্তন সঞ্চালক প্ৰধান পি কে বন্দোপাধ্যায়ৰ কালি কলকাতাত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ দেহাৱসান ঘটে। ভাৰতীয় তথ্য সেৱাৰ প্ৰাক্তন বিষয়া ড০ বন্দোপাধ্যায় আকাশবাণীৰ বাতৰি সেৱা

বিভাগ আৰু প্ৰেছ ইনফৰমেশ্যন ব্যুৰোসহ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ বিভিন্ন শাখাত দীৰ্ঘদিন ধৰি সেৱা আগবঢ়াইছিল।

০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

ৰাছিয়াত অনুষ্ঠিত ব্ৰিকছ সন্মিলনত কালি প্ৰধানমন্ত্ৰী মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ বৈঠকৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে মোদী-জিনপিঙৰ ঐতিহাসিক বৈঠক শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰাৰ লগতে একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতে MODI-XI ENDORSE BORDER PATROLLING PACT, দা ছেণ্টিনেল কাকতে MUTUAL TRUST KEY TO FUTURE OF INDIA-CHINA TIES: MODI TO XI শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে।

বিহালীৰ প্ৰাৰ্থিত্বক লৈ উপ-নিৰ্বাচনৰ পূৰ্বে বিৰোধী দলবোৰৰ ঐক্যমঞ্চ অসম সন্মিলিত মঞ্চত চলি থকা দন্দ্বই জটিল ৰূপ ধাৰণ কৰা বাতৰি দৈনিক অসম কাকতে ছেদেলি-ভেদেলি বিৰোধী ঐক্য নিয়মীয়া বাৰ্তা কাকতে উপ-নিৰ্বাচনৰ পূৰ্বেই বিৰোধী শিবিৰত ভাঙোন, অসমীয়া খবৰ কাকতে বিৰোধী ঐক্য থানবান, ভূপেন বৰাৰ পদত্যাগ শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিকে আমাৰ অসম কাকতেও মুখ্য বাতৰিত স্থান দিছে।

অসম চুক্তিত বিদেশী বহিষ্কৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন নিৰ্ধাৰণ কৰা সন্দৰ্ভত কেইবাটাও খিলঞ্জীয়া সংগঠনে অসন্তুষ্টি প্ৰকাশ কৰি কালি এখন জৰুৰী বৈঠক অনুষ্ঠিত কৰাৰ বাতৰিক দৈনিক জনমভূমি কাকতে ৭১ ভিত্তিবৰ্ষক প্ৰত্যাহ্বান জনাই সৰ্বোচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব খিলঞ্জীয়া সংগঠন, আকৌ হ'ব ন্যায়যুদ্ধ শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ৩৬টা ৰাজহ চক্ৰ বিলুপ্ত হোৱাৰ সম্ভাৱনা, অসমতো পৰিব ডানাৰ প্ৰভাৱ, ৰাজ্যৰ বতৰ গোমা, বৰষুণৰ সম্ভাৱনা, ডেংগুৰ প্ৰকোপ মহানগৰীৰ চাৰিটা অঞ্চল ৰেড জ'ন, দেশৰ বিশিষ্ট ঔদ্যোগপতিৰ পৰা ৭ কোটি টকা লুটিলে অসমৰ চাইবাৰ দুৰ্বৃত্তই, ৰাষ্ট্ৰপতিৰ অপসাৰণৰ দাবীত ঢাকাত ছাত্ৰ বিক্ষোভ, আৰক্ষীৰ গুলী, তুৰস্কৰ ৰাজধানীত সন্ত্ৰাসবাদীৰ আক্ৰমণ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত